# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date : 16-02-2026**

**Time : 21-25 Hrs.**

## ASSAMESE NIGHT BULLETIN

**:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে আজি অসম বিধান সভাৰ অধিবেশন আৰম্ভ হয়। ৰাজ্যপাল শ্ৰীআচাৰ্যই নিজৰ ভাষণৰ আৰম্ভণিতে ভাগৱত গীতাৰ বাণী আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মানৱতাবাদৰ আদৰ্শৰ কথা উল্লেখ কৰে। তেওঁ লগতে অসমৰ অৰ্থনৈতিক যাত্ৰাপথৰ বিষয়ে আলোকপাত কৰে। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭ লাখ কোটি টকা অতিক্ৰম কৰিব বুলি ৰাজ্যপালগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ মুখ্য নিয়ন্ত্ৰকে এটা বিবৃতিযোগে আজি প্ৰকাশিত ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল বাতিল কৰিছে। শীঘ্ৰেই নতুন তালিকা ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে তিনিদিনীয়া ভ্ৰমণসূচীৰে নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল আজি সন্ধিয়া অসমত উপস্থিত হৈছে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত অহা ১২ জনীয়া দলটোক ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ লগতে কেইবাগৰাকীও বিষয়াই বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত আদৰণি জনায়। দলটোৱে কাইলৈ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনা মিলিত হ'ব আৰু বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে পৰহিলৈ বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে নিৰ্বাচনৰ বিভিন্ন বিষয় লৈ আলোচনা কৰিব। দলটোৱে ১৮ ফেব্ৰুৱাৰীত ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। সেইদিনা বিয়লি দলটোৱে এখন সংবাদমেল সম্বোধন কৰিব।

০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত আজি কামৰূপ জিলা আৰু ছেচন আদালতত গুৰুত্বপূৰ্ণ শুনানি অনুষ্ঠিত হয়। গোচৰটোৰ ৩ জন অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰ জ্যোতি গোস্বামীয়ে দাখিল কৰা পৃথক-পৃথক আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে অহা ২ মাৰ্চত ৰায়দানৰ দিন ধাৰ্য কৰে। উল্লেখযোগ্য যে বিশেষ তদন্তকাৰী গোটে বেংক একাউণ্ট জব্দ কৰাৰ বিৰোধিতা কৰাৰ লগতে গোচৰৰ যাৱতীয় নথি-পত্ৰ লাভ নকৰা বুলি শ্যামকানু মহন্তই আদালতত আবেদন দাখিল কৰিছে। একেদৰে সিদ্ধাৰ্থ শৰ্মাই গোচৰৰ পৰা তেওঁক ৰেহাই দিয়া আৰু ছিংগাপুৰৰ আদালতৰ তথ্য প্ৰদান কৰাৰ বাবে আবেদন কৰিছিল। শেখৰজ্যোতি গোস্বামীয়েও তেওঁক গোচৰটোৰ পৰা ৰেহাই দিয়াৰ বাবে আদালতত নতুনকৈ আবেদন দাখিল

কৰিছে। এই আটাইকেইখন আবেদন সন্দৰ্ভত আদালতে আজি শুনানি গ্ৰহণ কৰে। লোক অধিবক্তা জিয়াউল কামাৰে এই আবেদনসমূহৰ তীব্ৰ বিৰোধিতা কৰে। অধিবক্তাগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয়-

**বাইট (জিয়াউল কামাৰ)**

০০০০

কাইলৈ বাংলাদেশৰ নৱ নিৰ্বাচিত চৰকাৰে শপত গ্ৰহণ কৰিব। ঢাকাত অনুষ্ঠিত এই শপত গ্ৰহণ অনুষ্ঠানত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই অংশগ্ৰহণ কৰিব। বাংলাদেশৰ ত্ৰয়োদশ সংসদীয় নিৰ্বাচনত অভূতপূৰ্ব সাফল্যৰ পাছত বি এন পিৰ নেতা তাৰিক ৰহমানে প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা অনুসৰি শপত গ্ৰহণ অনুষ্ঠানত লোকসভাৰ অধ্যক্ষগৰাকীয়ে ভাৰত চৰকাৰক প্ৰতিনিধিত্ব কৰিব। এই অংশগ্ৰহণে দুয়োখন দেশৰ মাজত থকা গভীৰ বন্ধুত্বৰ প্ৰতিফলন হোৱাৰ লগতে গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি ভাৰতৰ দায়বদ্ধতাক দৃঢ়তাৰে প্ৰকাশ কৰিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনাইছে।

০০০০

সমাগত ৰাজ্য বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহৰ মাজত নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা বৃদ্ধি পাইছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২০ ফেব্ৰুৱাৰীত পুনৰ অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

উল্লেখযোগ্য যে অহা ১৮ ফেব্ৰুৱাৰীত কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী অসমলৈ আহিব। অসম ৰাজ্যিক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ নেতা ভূপেন বৰাই আজি দলটোৰ পৰা পদত্যাগ কৰে। নিৰ্বাচনী প্ৰচাৰ সমিতিৰ অধ্যক্ষৰ পদত থকা শ্ৰীবৰাই ইতিমধ্যে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ শীৰ্ষ বিষয়ালৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে।

০০০০

আসন্ন অসম বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ জিলা প্ৰশাসনসমূহে অনুজ্ঞাপত্ৰ থকা আগ্নেয়াস্ত্ৰবিলাক সংশ্লিষ্ট আৰক্ষী থানাত জমা দিয়াৰ বাবে নিৰ্দেশ জাৰি কৰে।

শ্ৰীভূমি আৰু দৰং জিলাতো আজি জিলাখনৰ সকলো অনুজ্ঞাপত্ৰ থকা আগ্নেয়াস্ত্ৰ অহা ২০ ফেব্ৰুৱাৰীৰ ভিতৰত সংশ্লিষ্ট আৰক্ষী থানাত জমা দিবলৈ জিলা দণ্ডাধীশে নিৰ্দেশ দিছে। বন বিভাগৰ চৰকাৰী কৰ্তব্য পালনৰ বাবে ব্যৱহৃত আগ্নেয়াস্তৰৰ গুলিৰ ক্ষেত্ৰত এই নিৰ্দেশ প্ৰযোজ্য নহ'ব। তাৰোপৰি বেংক, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু আন আন আৰ্থিক প্ৰতিষ্ঠানৰ নিৰাপত্তাৰ বাবে ব্যৱহৃত অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ আৰু গুলিৰ ক্ষেত্ৰতো এই আদেশ প্ৰযোজ্য নহ'ব।

এই আইন অমান্য কৰিলে ভাৰতীয় ন্যায় সংহিতা ধাৰা ২২৩, ১৯৫৯ চনৰ অস্ত্ৰ আইনৰ ২৭ (১) ধাৰাৰ অধীনত আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০

**ঃঃ সমাপ্ত ঃঃ**